# খোতবা জুমা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)ৰ ২ অক্টোবৰ ২০২০ চনত মছজিদ মুবাৰক ,ইছলামাবাদ বৃটেইন)ত প্ৰদান কৰা খোতবা জুমাৰ সাৰাংশ**

**আঁ-হজৰত (ছাঃ)ৰ মহান মৰ্যাদাসম্পন্ন বদৰী চাহাবা হজৰত আবু উবেইদা বিন জাৰাহ(ৰাঃ)ৰ প্ৰশংসনীয় গুণাৱলী আৰু ঈমান উদ্দীপক ঘটনা**

أَشْهَدُ أَنْ لَا إِلَهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ أَمَّا بَعْدُ فَأَعُوذُ بِاللهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ. بِسْمِ اللهِ الرَّحْمٰنِ الرَّحِيْمِ. اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ. الرَّحْمٰنِ الرَّحِيْمِ. مٰلِكِ يَوْمِ الدِّيْنِ. اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ. اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ. صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ.

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ) য়ে কয় যে, আজি বদৰী চাহাবা সকলৰ বিষয়ে চলি অহা বৰ্ণনাত যিজন চাহাবীৰ বিষয়ে বৰ্ণনা হ'ব তেখেতৰ নাম হ'ল হজৰত আবু উবেয়দা বিন জাৰাহ (ৰাঃ)। হজৰত আবু উবেয়দা বিন জাৰাহৰ নাম আমিৰ বিন আব্দুল্লাহ আছিল আৰু এখেতৰ দেউতাকৰ নাম আছিল আব্দুল্লাহ বিন জাৰাহ। হজৰত আবু উবেয়দা (ৰাঃ) নিজৰ বংশানুক্ৰমিক উপাধিৰ কাৰণে বেছি জনাজাত আছিল যিহেতু এখেত (ৰাঃ)ৰ বংশক এখেতৰ ককাদেউতা জাৰাহৰ সৈতে সংশ্লিষ্ট কৰা হয়। এখেত (ৰাঃ)ৰ মাকৰ নাম আমিমা বিনতে গানম আছিল আৰু কুৰাইশ কবিলাৰ এটা বংশ বনু হাৰিছ বিন ফহিৰৰ সৈতে এখেতৰ সম্পৰ্ক আছিল। এখেত (ৰাঃ) ওখ আৰু ক্ষীণকায় আৰু দুৰ্বল শৰীৰৰ লোক আছিল আৰু মুখমণ্ডলত মঙহ কম আছিল। উহুদৰ যুদ্ধৰ সময়ত আঁ-হজৰত (ছাঃ)ৰ মুখমণ্ডলত (গালত) আঁটি খাই যোৱা লোৰ টুপিৰ গলাবান উলিৱাই আনোতে হজৰত উবেয়দা(ৰাঃ)ৰ সন্মুখ পাৰিৰ দুটা দাঁত ভাঙি গৈছিল। এখেত (ৰাঃ)ৰ দাড়ি বেছি ঘন নাছিল আৰু এখেতে দাড়িত ক'লা ৰঙ ব্যৱহাৰ কৰিছিল। হজৰত আবু উবেয়দা (ৰাঃ)য়ে কেইবাটাও বিয়া কৰিছিল। কিন্তু তাৰ মাজত কেৱল মাত্ৰ দুজনী পত্নীৰহে সন্তান হৈছিল। হজৰত আবু উবেয়দা বিন জাৰাহ (ৰাঃ)ৰ দুজন পুত্ৰ আছিল।এজনৰ নাম আছিল ইয়াজিদ আৰু আনজনৰ নাম উমেৰ আছিল। হজৰত আবু উবেয়দা (ৰাঃ) সেই দহজন চাহাবাৰ মাজৰ এজন আছিল, যি সকলক ৰছুলুল্লাহ (ছাঃ)য়ে জীৱন কালতেই জান্নাতৰ সুসংবাদ দিছিল। যি সকলক আশ্বৰাহে মোবাশ্বৰা বুলি কোৱা হয়। হজৰত আবু উবেয়দা বিন জাৰাহ (ৰাঃ)ক কুৰাইশ সকলৰ এজন দক্ষ, চৰিত্ৰবান আৰু সন্মানীয় লোক হিচাবে গণ্য কৰা হৈছিল। হজৰত আবু উবেয়দা (ৰাঃ)য়ে হজৰত আবু বক্কৰ (ৰাঃ)ৰ তবলিগৰ পৰা ইছলাম গ্ৰহণ কৰিছিল। তেতিয়াও মুছলমান সকলে দ্বাৰে আৰকমত আশ্ৰয় লোৱা নাছিল, হজৰত আবু উবেয়দা (ৰাঃ)য়ে ন নম্বৰত গৈ ইছলাম গ্ৰহণ কৰিছিল। অৰ্থাৎ ইছলাম গ্ৰহণৰ ক্ষেত্ৰত আঠ জনৰ পিছত ন নম্বৰ ব্যক্তিজন আছিল হজৰত আবু উবেয়দা বিন জাৰাহ (ৰাঃ)। হজৰত আনিছ (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে, হজৰত ৰছুলুল্লাহ (ছাঃ)য়ে কৈছে যে- প্ৰত্যেক উম্মতৰেই এজন আমানতদাৰ থাকে, আৰু মোৰ উম্মতৰ আমানতদাৰ হ'ল আবু উবেয়দা বিন জাৰাহ (ৰাঃ)। এবাৰ আঁ-হজৰত (ছাঃ)য়ে হজৰত আবু উবেয়দা বিন জাৰাহ (ৰাঃ)ৰ হাতত ধৰি কৈছিল- هذا امين هذه الامة। এওঁ এই উম্মতৰ আমিন (আমানতদাৰ), হজৰত আবু হুৰাইৰা (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে, ৰছুলুল্লাহ (ছাঃ)য়ে কৈছে যে- আবু বক্কৰ, উমৰ,আবু উবেয়দা বিন জাৰাহ, উছেদ বিন হজিৰ, ছাবিত বিন কায়েছ বিন শ্বমাছ, মুৱাজ বিন জবল আৰু মুৱাজ বিন উমৰু বিন জমুহ উত্তম মানৱ হয়। অৰ্থাৎ

তেখেত (ছাঃ)য়ে এওঁলোকৰ বৰকৈ প্ৰশংসা কৰিছিল।

এবাৰ হজৰত আয়শা (ৰাঃ)ক প্ৰশ্ন কৰা হৈছিল যে, যদি ৰছুলুল্লাহ (ছাঃ)য়ে নিজৰ পিছত কাৰোবাক জানশ্বিন (প্ৰতিনিধি) বনালেহেঁতেন তেন্তে কাক বনালে হয়? ইয়াৰ উত্তৰত হজৰত আয়শা (ৰাঃ)য়ে কৈছিল হজৰত আবু বক্কৰক বনালেহেঁতেন। লোক সকলে আকৌ সুধিছিল যে, হজৰত আবু বক্কৰ (ৰাঃ)ৰ পিছত কাক বনালে হয় ? হজৰত আয়শা (ৰাঃ)য়ে কৈছিল হজৰত উমৰ (ৰাঃ)ক বনালেহেঁতেন। লোক সকলে আকৌ সুধিছিল হজৰত উমৰ (ৰাঃ)ৰ পিছত কাক প্ৰতিনিধি বনালে হয় ? তেতিয়া হজৰত আয়শা (ৰাঃ)য় কৈছিল যে, হজৰত আবু উবেয়দা বিন জাৰাহক প্ৰতিনিধি বনালেহেঁতেন।

হজৰত আয়শা (ৰাঃ)ৰ দৃষ্টিত আবু উবেয়দা (ৰাঃ)ৰ ইমানেই মৰ্যাদা উপবিষ্ট আছিল যে, তাই মাজে সময়ে কৈছিল যে যদি হজৰত উমৰ (ৰাঃ)ৰ মৃত্যুৰ সময়ত আবু উবেয়দা (ৰাঃ) জীৱিত থাকিলেহেঁতেন তেন্তে তেওঁৰেই খলিফা হ'লহেঁতেন। হজৰত আবু উবেয়দা (ৰাঃ)য়ে হাবশালৈ কৰা হিজৰতত অংশ গ্ৰহণ কৰিছিল। হজৰত আবু উবেয়দা (ৰাঃ)য়ে মদিনালৈ হিজৰত কৰি অহাৰ পিছত আঁ-হজৰত (ছাঃ)ৰ চেহেৰা (মুখমণ্ডল) এখেত (ৰাঃ)ক দেখি আনন্দত বিৰিঙি উঠিছিল। হজৰত উমৰ (ৰাঃ)য়ে আগুৱাই আহি বুকুত সাৱটি লৈছিল। হজৰত আবু উবেয়দা (ৰাঃ)য়ে বদৰৰ যুদ্ধ, উহুদৰ যুদ্ধ আৰু বাকী সকলো যুদ্ধত ৰছুলুল্লাহ (ছাঃ)ৰ লগত যোগদান কৰিছিল। বদৰৰ যুদ্ধৰ সময়ত হজৰত আবু উবেয়দা বিন জাৰাহ (ৰাঃ)ৰ বয়স হৈছিল ৪১ বছৰ। বদৰৰ যুদ্ধৰ দিনা হজৰত আবু উবেয়দা (ৰাঃ)য়ে মুছলমান সকলৰ ফালৰ হৈ ৰণ ভূমিত উপস্থিত হৈছিল আৰু এখেত (ৰাঃ)ৰ পিতৃ আব্দুল্লাহ কুফাৰে মক্কাৰ ফালৰ পৰা ৰণত নামিছিল। পিতা, পুত্ৰই যেতিয়া মুখামুখী হৈছিল তেতিয়া তৌহিদৰ প্ৰবল উদ্যমে বংশীয় সম্পৰ্কক তুচ্ছ কৰি পেলাইছিল আৰু আব্দুল্লাহ নিজ পুত্ৰ হজৰত উবেয়দাৰ হাতত সেই ৰণ ভূমিত নিহত হৈছিল।

উহুদৰ যুদ্ধৰ দিনা হজৰত আবু উবেয়দা (ৰাঃ) সেই লোক সকলৰ অৰ্ন্তভুক্ত আছিল, যি সকলে ৰছুলুল্লাহ (ছাঃ)ৰ চাৰিওফালে দৃঢ় প্ৰতিষ্ঠিত ভাৱে উপস্থিত আছিল, যেতিয়া সকলো লোক ইফালে-সিফালে (ছেদেলি-ভেদেলি) হৈ পৰিছিল। ছয় হিজৰী চনৰ জিলকদ মাহত হুদায়বিয়াৰ সন্ধিৰ সময়ত যেতিয়া চুক্তি পত্ৰ লিখা হৈছিল, তেতিয়া সেই চুক্তি পত্ৰৰ দুখন নকল কপি বনোৱা হৈছিল আৰু সাক্ষী হিচাপে দুয়ো পক্ষৰ বিভিন্ন মৰ্যাদা সম্পন্ন ব্যক্তি সকলে স্বাক্ষৰ কৰিছিল। মুছলমান সকলৰ ফালৰ পৰা স্বাক্ষৰ কৰোঁতা সকলৰ মাজত হজৰত উবেয়দা (ৰাঃ)ও চামিল আছিল।

ৰছুলুল্লাহ (ছাঃ)য়ে হজৰত উবেয়দা (ৰাঃ)ক কেইবাটাও সৰু সৰু সৈন্য দলৰ লগত বিভিন্ন সময়ত প্ৰেৰণ কৰিছিল। ইয়াৰে এটা দলৰ নাম আছিল যাতুচ্ছালাছল। হজৰত উমৰু বিন আচ (ৰাঃ)য়ে নিজৰ সহায়ৰ বাবে আবেদন জনোৱাত আঁ-হজৰত (ছাঃ)য়ে দুশজন মুহাজেৰিণ আৰু আনছাৰৰ এটা দল হজৰত আবু উবেয়দাৰ নেতৃত্বত হজৰত উমৰু বিন আচ (ৰাঃ)ক সহায় কৰিবলৈ পঠাইছিল আৰু গৈ হজৰত উমৰু (ৰাঃ)ৰ লগত মিলিবলৈ নিৰ্দেশ দিছিল আৰু কোনো ধৰণৰ মতানৈক্য নকৰিবলৈ আদেশ দিছিল। হজৰত আবু উবেয়দা (ৰাঃ) যদিও নিজৰ দক্ষতা আৰু মৰ্যাদা অনুযায়ী নেতৃত্ব দিয়াৰ যোগ্য আছিল তথাপি যেতিয়া হজৰত উমৰু বিন আচ (ৰাঃ)য়ে ব্যক্ত কৰিছিল যে তেওঁৰেই সকলো সৈন্যৰ নেতৃত্ব আগবঢ়াব, তেতিয়া হজৰত আবু উবেয়দা (ৰাঃ)য়ে আনন্দ মনেৰে হজৰত উমৰু বিন আচ (ৰাঃ)ৰ নেতৃত্ব মানি লৈছিল আৰু তেখেতৰ অধীনত বৰ বীৰত্বৰ সৈতে শত্ৰুৰ বিৰুদ্ধে ৰণত জপিয়াই পৰি শত্ৰুক পৰাস্ত কৰিছিল। যেতিয়া বিজয় লাভ কৰি মদিনালৈ উভতি আহে তেতিয়া আঁ-হজৰত (ছাঃ)য়ে হজৰত আবু উবেয়দা (ৰাঃ)ৰ আনুগত্যৰ বিৱৰণ শুনি কৈছিল رَحِمَ اللهُ اَبَا عُبَيْدَةَ

অৰ্থাৎ আবি উবায়দাৰ ওপৰত আল্লাহৰ ৰহমত বৰ্ষিত হওঁক যে তেওঁ এনেকুৱা আনুগত্যৰ মান প্ৰতিষ্ঠা কৰিছে।

হজৰত ছৈয়দ জয়নুল আবেদিন অলি উল্লাহ শ্বাহ চাহাব ছায়েফ আল বাহাৰ দলৰ সম্পৰ্কে লিখিছে যে, হজৰত আবু উবেয়দা (ৰাঃ)সেই দলৰ আমিৰ আছিল। ইবনে ছাআদে ছাৰিয়াতুল খবাত নামেৰে ইয়াৰ এটা চমু বৰ্ণনা কৰিছে। খবাত শব্দৰ অৰ্থ হ'ল গছৰ পাত। এই যাত্ৰা পথত খাদ্য বস্তুৰ নাটনি হোৱাত জিহাদী সকলে গছৰ পাত খাই জীৱন ধাৰণ কৰিব লগা হৈছিল। ইবনে ছাআদে ইয়াৰ তাৰিখ আঠ হিজৰীৰ ৰজব মাহ বুলি উল্লেখ কৰিছে আৰু এয়া হুদায়বিয়াৰ সন্ধিৰ সময় আছিল। আঁ-হজৰত (ছাঃ)য়ে সদায় ভৱিষ্যতলৈ চিন্তা কৰি কাম কৰিছিল আৰু নিৰাপত্তা ৰক্ষাৰ এটা দল ভৱিষ্যতলৈ সাৱধান থাকিবলৈ এই ছায়েফুল বাহাৰ অঞ্চললৈ প্ৰেৰণ কৰিছিল যাতে শাম (ছিৰিয়া)ৰ পৰা অহা কুৰাইশৰ দল বিলাকে কোনো ধৰণৰ ক্ষতি সাধন কৰিব নোৱাৰে আৰু কুৰাইশ সকলে যেন কোনো উপায়েৰে চুক্তি ভঙ্গ কৰাৰ চেলু বিচাৰি নাপায়।

হজৰত আবু হুৰাইৰা (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে, মক্কা বিজয়ৰ দিনা হজৰত ৰছুলুল্লাহ (ছাঃ)য়ে আহি মক্কাত প্ৰৱেশ কৰিছিল। হজৰত জুবেৰ (ৰাঃ)ক সৈন্যৰ এটা অংশৰ ওপৰত আৰু হজৰত খালিদ বিন অলিদ (ৰাঃ)ক আনটো অংশৰ ওপৰত সেনাদক্ষ নিযুক্ত কৰিছিল। আনহাতে হজৰত আবু উবেয়দা (ৰাঃ)ক পদাতিক সৈন্য আৰু গভীৰ হাবিৰ বাসিন্দা সকলৰ নেতা বনাই দিছিল। হজৰত আবু হুৰাইৰা (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে, ৰছুলুল্লাহ (ছাঃ)য়ে সামুদ্ৰিক সকলৰ পৰা জিজিয়া লোৱাৰ চৰ্তেৰে চুক্তি স্বাক্ষ্যৰ কৰিছিল। যেতিয়া হজৰত আবু উবেয়দা (ৰাঃ)য়ে জিজিয়া সংগ্ৰহ কৰি উভতি আহে তেতিয়া তেখেত (ছাঃ)য়ে লোকক কৈছিল- আনন্দিত হোৱা আৰু তাৰেই আশা পোষণ কৰি ৰখা, যি তোমালোকৰ নিমিত্তে উত্তম। মই তোমালোকৰ দৰিদ্ৰতা সম্পৰ্কে ভয় নকৰো বৰং মই সেই সম্পৰ্কে ভয় কৰো যে, জগত তোমালোকৰ ওপৰত বিস্তৃত কৰি দিয়া হয়, আৰু তুমি লোভ লালসাত পৰি যোৱা। মোৰ এই বিষয়ে ভয় উপজে যে, তোমালোকে যেন দুনিয়াদাৰীত আবদ্ধ হৈ নিজকে ধ্বংস কৰি নোলোৱা। হজুৰ আনোৱাৰ (আইঃ) য়ে কয় যে, এয়াই আছিল সতৰ্কবাণী যি আমি প্ৰত্যেকেই মনত ৰখা উচিত আৰু নিজৰ অৱস্থা সম্পৰ্কে সদায় সচেতনতা অৱলম্বন কৰা উচিত যে, আঁ-হজৰত (ছাঃ)ৰ ভৱিষ্যদ্বাণী অনুযায়ী সম্পদ লাভ কৰা হ'ব কিন্তু আমি সেই ধন মালৰ কাৰণে নিজৰ দ্বীনক পাহৰি যোৱা উচিত নহয়।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে, হজৰত আবু বক্কৰ (ৰাঃ)ৰ দৃষ্টিত হজৰত আবু উবেয়দা (ৰাঃ)ৰ মৰ্যাদাৰ স্থান এনেকুৱা আছিল যে, ৰছুলুল্লাহ (ছাঃ)ৰ মৃত্যুৰ পিছত এখেতে হজৰত আবু উবেয়দা (ৰাঃ)ৰ নাম খিলাফতৰ বাবে প্ৰস্তাৱ কৰিছিল। এনেদৰে হজৰত উমৰ (ৰাঃ)য়েও নিজৰ মৃত্যুৰ প্ৰাকক্ষণত কৈছে যে, যদি আবু উবেয়দা জীয়াই থাকিলেহেঁতেন তেন্তে মই তেওঁক আগলৈ খলিফা হ'বলৈ প্ৰস্তাৱ কৰিলোঁহেঁতেন, কাৰণ তেওঁ আঁ-হজৰত (ছাঃ)ৰ উম্মতৰ আমানতদাৰ (বিশ্বস্ততা) আছিল। হজৰত আবু বক্কৰ (ৰাঃ)য়ে যেতিয়া খিলাফতৰ আসনত অধিষ্ঠিত হয় তেতিয়া তেখেতে বায়তুল মালৰ কাম হজৰত আবু উবেয়দা (ৰাঃ)ৰ দায়িত্বত এৰিছিল। ৩ হিজৰীত হজৰত আবু বক্কৰ (ৰাঃ)য়ে হজৰত আবু উবেয়দাক সৈন্য সামন্তৰ আমিৰ নিযুক্ত কৰি শাম (ছিৰিয়া) লৈ পঠাইছিল। হজৰত আবু উবেয়দা (ৰাঃ)য়ে গৈ প্ৰথমে ছিৰিয়াৰ মাব চহৰখন জয় কৰিছিল। তাৰ পিছত তেখেত জাবিয়ালৈ গতি কৰিছিল, য'ত ৰোমীয় সকলৰ এটা ডাঙৰ সৈন্য দল এওঁলোকক ৰোধ কৰিবলৈ প্ৰস্তুত হৈ আছিল। সেয়ে হজৰত আবু উবেয়দা (ৰাঃ)য়ে হজৰত আবু বক্কৰ (ৰাঃ)ৰ ওচৰত আৰু সাহায্য (সৈন্য সাহায্য) আগবঢ়াবলৈ আবেদন জনায়। হজৰত আবু বক্কৰ (ৰাঃ)য়ে হজৰত খালিদ বিন অলিদ (ৰাঃ)ক হজৰত আবু উবেয়দা (ৰাঃ)ৰ সৈন্যৰ আমিৰ নিযুক্ত কৰি তেখেতৰ সহায়ৰ বাবে পঠাই দিয়ে। হজৰত খালিদ বিন অলিদ (ৰাঃ)য়ে হজৰত উবেয়দা (ৰাঃ)লৈ চিঠি লিখিছিল যে, খোদাৰ শপত ! মই এই পদবী কেতিয়াও বিচৰা নাই আৰু নে মোৰ পদবী লোৱাৰ ইচ্ছা আছিল। আপোনাৰ সেই মৰ্যাদা অটুট থাকিব যি আগৰে পৰাই আছে। আপুনি মুছলমান সকলৰ চৰদাৰ,

আপোনাৰ ফজিলত (কল্যাণ) আমি অস্বীকাৰ নকৰো আৰু নে আমি আপোনাৰ পৰামৰ্শ আওকাণ কৰিব পাৰিম।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে, চাওঁক ! এয়াই হ'ল মোমিনৰ মৰ্যাদা। দুয়ো ফালৰ পৰা কেনে সুন্দৰকৈ বিনম্ৰ ভাৱে আনুগত্য প্ৰকাশ কৰিছে। ইয়াৰ পিছত ইছলামী সৈন্যই শামৰ বিভিন্ন চহৰ, আজনাদিন,ফহাল,দামাস্ক,লাজকীয়া আদি ঠাই জয় কৰি লয়। হজৰত উমৰ (ৰাঃ) য়ে খিলাফতত অধিষ্ঠিত হোৱাৰ পিছত হজৰত খালিদ বিন অলিদ (ৰাঃ)ক সেনাদক্ষ (ছিপা ছালাৰ) পৰা ঘুচাই হজৰত আবু উবেয়দা (ৰাঃ)ক সেনানায়ক (ছিপাছালাৰ) নিযুক্ত কৰিছিল। হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে, হজৰত আবু উবেয়দা (ৰাঃ)ৰ বিষয়ে বৰ্ণনা আগলৈ চলিব ইনশা আল্লাহ তা'লা।

খোতবা জুমাৰ শেষত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে, পাকিস্তানৰ আহমদী সকলৰ নিমিত্তে বৰ্তমান বেছি জোৰ দি দোৱা কৰিব। আল্লাহ তা'লা তেওঁলোকক যেন মৌলবী আৰু চৰকাৰী বিষয়া বৰ্গৰ চয়তানীৰ পৰা নিৰাপদ ৰাখে। তাত আকৌ বিৰোধীতাৰ প্ৰবল ঢেউ উঠিছে। আইনৰ ৰক্ষক সকলে কেৱল এয়াই নহয় যে, ন্যায় কাক কয় নেজানে বৰং আইনৰ চৰম অৱমাননা কৰি আছে আৰু মৌলবী সকলৰ কথা অনুযায়ী সিহঁতৰ পিছে পিছে চলিবলৈ লৈছে আৰু ধাৰণা কৰি আছে যে,ৰাজনৈতিক কাঠামো হয়তো তেওঁলোকে তেনেদৰেই লাভ কৰিব পাৰিব। কিন্তু এয়া তেওঁলোকৰ চূড়ান্ত ধাৰণা এয়া সদায় মনত ৰাখিব যে, এই বস্তুটোৱেই সিহঁতৰ ধ্বংসৰ কাৰণ হৈ পৰিব। আমি আগৰে পৰাই এই দুঃখ কষ্টৰ মাজেৰে চলি আহিছো, এতিয়াও ইনশা আল্লাহ, আল্লাহ তা'লাৰ সহায়ত পাৰ হৈ যাম। কিন্তু সিহঁতৰ এই কাৰু কাৰ্য্যৰ পৰা যদি সিহঁতে ওলাই নাহে তেন্তে সিহঁতৰ ধ্বংস অনিবাৰ্য্য। গতিকে আহমদীসকলে বৰ্তমানে বহুত দোৱা কৰি থাকক,নিজৰ সম্পৰ্ক বঢ়াই তোলক,বিশেষকৈ পাকিস্তানত বাস কৰা আহমদীসকল আৰু বাহিৰৰ দেশৰ আহমদী সকলেও আল্লাহ তা'লাৰ সহায় ভিক্ষা কৰক, যাতে আল্লাহৰ সহায় সহযোগীতা সোনকালে আহে আৰু এই বিপদগ্ৰস্ত আহমদী সকলে যেন বিপদৰ পৰা ৰক্ষা পৰে।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَن يَّهْدِهِ اللّٰهُ فَلاَ مُضِلَّ لَهُ وَمَنْ يُّضْلِلْهُ فَلاَ هَادِىَ لَهُ وَنَشْهَدُ أَنْ لَآ اِلٰهَ اِلاَّ اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ ۔

**KHULASA KHUTBA JUMA HUZOOR ANWAR (aba) 2 OCTOBER 2020**

## BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844